# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেণ সিঙৰ পদত্যাগ। ৰাজনৈতিক পৰিস্থিতি সন্দৰ্ভত ৰাজ্যপালৰ কেন্দ্ৰলৈ প্ৰতিবেদন প্ৰেৰণ।

২। এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণৰ পৰিপ্ৰেক্ষিতত আজিৰ পৰা দুদিনীয়াকৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ছিংগাপুৰ ভ্ৰমণ।

৩। **পৰীক্ষা পে চৰ্চা** অনুষ্ঠানৰ অষ্টম সংস্কৰণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি দেশবাসীক সম্বোধন।

৪। আজি ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস। ৰাজ্যজুৰি শিশু আৰু কিশোৰ-কিশোৰীক পেলুনাশক বড়ি প্ৰদানৰ ব্যৱস্থা। **আৰু**

৫। কটকত অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ কালি দ্বিতীয়খন খেলত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ ৪ উইকেটত জয়।

oooooo

মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেণ সিঙে কালি পদত্যাগপত্ৰ দাখিল কৰে। শ্ৰীসিঙে ৰাজ্যপাল অজয় কুমাৰ ভল্লাক সাক্ষাৎ কৰি পদত্যাগ পত্ৰ অৰ্পণ কৰে। ৰাজ্যখনৰ শেহতীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীগৰাকীয়ে এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি অনুমান কৰা হৈছে। ৰাজ্যপালগৰাকীয়ে মুখ্যমন্ত্ৰীগৰাকীক পৰৱৰ্তী মুখ্যমন্ত্ৰী বাচনি নকৰা পৰ্যন্ত দায়িত্বৱাহী মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ চলাই যাবলৈ আহ্বান জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে পদত্যাগপত্ৰ দাখিল কৰাৰ সময়ত তেওঁৰ সৈতে ভাৰতীয় জনতা পাৰ্টী আৰু এন পি এফৰ ১৪ গৰাকী বিধায়ক আৰু প্ৰদেশ বিজেপিৰ অধ্যক্ষ এ সাৰদা তথা বিজেপি সাংসদ তথা বিজেপিৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰভাৰী সম্বিত পাত্ৰও আছিল।

পদত্যাগ পত্ৰত শ্ৰীসিঙে মণিপুৰবাসীৰ সেৱা কৰিবলৈ পোৱাটো তেওঁৰ বাবে সন্মানৰ কথা বুলি উল্লেখ কৰে। মণিপুৰৱাসীৰ হিতৰ বাবে ৰাজ্যখনত ৰূপায়ণ কৰা বিভিন্ন আঁচনি তথা বিকাশৰ বাবে তেওঁ কেন্দ্ৰীয় চৰকাৰলৈ ধন্যবাদ জ্ঞাপন কৰে। আকাশবাণীৰ ইম্ফলৰ সংবাদদাতাই আমাক জনোৱা মতে ৰাজ্যপাল শ্ৰী ভাল্লাই মুখ্যমন্ত্ৰীগৰাকীৰ পদত্যাগ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰলৈ প্ৰতিবেদন প্ৰেৰণ কৰিছে যদিও ৰাজ্যখনৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী সন্দৰ্ভত কি সিদ্ধান্ত গ্ৰহণ কৰা হ'ব সেই বিষয়ে এতিয়ালৈ কোনো কথা স্পষ্ট হোৱা নাই। আজি আৰম্ভ হ'বলগীয়া মণিপুৰ বিধানসভা অধিৱেশনো বাতিল কৰা হৈছে বুলি আমাৰ সংবাদদাতাগৰাকীয়ে জানিবলৈ দিছে।

উল্লেখযোগ্য যে, ৰাজ্যখনত অব্যাহত থকা ৰাজনৈতিক অস্থিৰতাৰ মাজতেই এন বীৰেণ সিঙে দিল্লীত গৃহমন্ত্ৰী অমিত শ্বাহ আৰু দলৰ নেতৃত্বৰ সৈতে বৈঠকত অংশ লোৱাৰ পাছত কালি সাংসদ সম্বিত পাত্ৰৰ সৈতে ইম্ফলত উপস্থিত হৈ মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰে।

oooooo

গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণৰ পৰিপ্ৰেক্ষিতত আজিৰ পৰা দুদিনীয়াকৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছিংগাপুৰ ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত মুখ্যমন্ত্ৰীয়ে একাধিক ৰোড শ্ব'ত অংশ লোৱাৰ লগতে শীৰ্ষ উদ্যোগপতি আৰু ব্যৱসায়ীৰ সৈতে মত বিনিময় কৰিব। তদুপৰি এই ভ্ৰমণত মুখ্যমন্ত্ৰীগৰাকীয়ে ছেমি কণ্ডাক্টৰ, ডিপ টেকন'লজি, আন্তঃগাঁথনি আৰু নিৰ্মাণ আদি খণ্ডত ৰাজ্য চৰকাৰে আগবঢ়োৱা বিভিন্ন সা-সুবিধাসমূহৰ বিভিন্ন দিশ আলোকপাত কৰিব। তেওঁ বাণিজ্যিক সহযোগিতা তথা বিনিয়োগৰ সুযোগ অন্বেষণ কৰিবলৈ ছিংগাপুৰৰ ঔদ্যোগিক নেতৃবৃন্দৰ সৈতে বহুকেইখন পৃথক বৈঠকতো অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে, এডভাণ্টেজ আছাম সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰীৰ উপৰি বিভিন্ন উদ্যোগপতি আৰু প্ৰতিষ্ঠানৰ প্ৰতিনিধি উপস্থিত থাকিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীৰ অষ্টম সংস্কৰণত দেশৰ শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰিব। এই অনুষ্ঠানৰ জৰিয়তে প্ৰধানমন্ত্ৰীগৰাকীয়ে পৰীক্ষাৰ পূৰ্বে শিক্ষাৰ্থী, অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে প্ৰস্তুতি আৰু মানসিক চাপ দূৰ কৰাৰ উপায় সন্দৰ্ভত বাৰ্তালাপ কৰিব। নতুন দিল্লীৰ ভাৰত মণ্ডপমত হ'বলগীয়া **পৰীক্ষা পে চৰ্চা**ৰ এই অনুষ্ঠান দূৰদৰ্শনৰ উপৰি স্বয়ম, স্বয়ম প্ৰভা, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ ইউ টিউব চেনেল তথা তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ সামাজিক মাধ্যমযোগে পোনপটীয়াকৈ প্ৰচাৰিত হ'ব। এই অনুষ্ঠানৰ জৰিয়তে দেশৰ ৩৬ গৰাকী শিক্ষাৰ্থীয়ে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে পোনপটীয়াকৈ কথা পাতিব।

**পৰীক্ষা পে চৰ্চা** অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন জিলাত বিশেষ স্ক্ৰিনিঙৰ দ্বাৰা প্ৰদৰ্শিত কৰা হ'ব। এই প্ৰদৰ্শনত সংশ্লিষ্ট অঞ্চলৰ বিশিষ্ট ব্যক্তি, শিক্ষাবিদ, শিক্ষাৰ্থী আৰু অভিভাৱক উপস্থিত থাকিব। এই সম্পৰ্কত ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে কালি এইদৰে কয়—

**বাইট (ডাঃ ৰণোজ পেগু)**

০০০০০০

আজি ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস। এই বিশেষ উপলক্ষত বিদ্যালয়লৈ যোৱা শিশুসকলক বিদ্যালয়তে পেলুনাশক বড়ি প্ৰদান কৰা হ'ব। আজি শিক্ষানুষ্ঠানত অনুপস্থিত থকা শিশুসকলক অহা ১৭ ফেব্ৰুৱাৰীলৈ এই বড়ি প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি আশা আৰু অংগনবাড়ীৰ কৰ্মীসকলে সকলো অংগনবাড়ী কেন্দ্ৰৰ উপৰি গৃহ পৰিদৰ্শনৰ জৰিয়তে ১ৰ পৰা ১৯ বছৰ বয়সৰ সকলো শিশু তথা কিশোৰ-কিশোৰীক পেলু মুক্ত হোৱাটো সুনিশ্চিত কৰিবলৈ পেলু নাশক ঔষধ খুওৱা হ'ব। পেলুৰ সংক্ৰমণৰ পৰা হাত সাৰিবলৈ হাতৰ নখ চাফা আৰু চুটি কৰি ৰখা, খোৱাৰ আগত আৰু শৌচালয় ব্যৱহাৰৰ পাছত চাবোনেৰে হাত ধোৱা, শৌচালয় ব্যৱহাৰ কৰা, ঘৰৰ চৌদিশ চাফ-চিকুন কৰি ৰখা, ফল-মূল, শাক-পাচলি আদি পৰিষ্কাৰ পানীৰে ধোৱা, বিশুদ্ধ পানীহে সেৱন কৰাকে ধৰি স্বাস্থ্যসন্মত দিশসমূহত গুৰুত্ব দিবলৈ ৰাজ্যৰ স্বাস্থ্য বিভাগে আহ্বান জনাইছে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি আধ্যাত্মিক গুৰু সদগুৰু উপস্থিতিত ৰাজ্য চৰকাৰৰ বিভিন্ন শীৰ্ষ বিষয়াসকলৰ সৈতে এটা মত বিনিময় অনুষ্ঠানত মিলিত হয়। এই অনুষ্ঠানত আধ্যাত্মিক গুৰুগৰাকীয়ে ৰাজ্যৰ প্ৰশাসনৰ সামগ্ৰিক কুশলতা কিদৰে ইতিবাচক কৰি গঢ়ি তুলিব পাৰি সেই বিষয়ে পৰামৰ্শ দিয়ে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ আমন্ত্ৰণ মৰ্মে সদগুৰুৱে ২০২২ বৰ্ষত কাজিৰঙাত চিন্তন শীৰ্ষ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল।

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ প্ৰেক্ষাগৃহত তিনি দিনীয়াকৈ আয়োজিত ভাৰত বোধ অভিৱৰ্তনৰ গুৱাহাটী সংস্কৰণৰ কাৰ্যসূচীত অংশ লয়। অনুষ্ঠানত দিয়া ভাষণত শ্ৰী সোণোৱালে কয়, যে মহান সভ্যতা-সংস্কৃতিৰে চহকী ভাৰতবৰ্ষ এতিয়া অনিৰুদ্ধ গতিৰে বিশ্বৰ মানচিত্ৰত জিলিকি উঠিছে। দেশবাসীয়ে মূল্যবোধ আৰু উন্নয়নৰ ক্ষেত্ৰত নৱজাগৰণৰ অভিজ্ঞতা লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে। ভাৰত বোধ কাৰ্যসূচী দেশৰ সভ্যতা-সংস্কৃতি আৰু সামূহিক ৰাষ্ট্ৰ চেতনাৰ উদযাপন বুলি উল্লেখ কৰি শ্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ডিজিটেল ভাৰতৰ উত্থানৰ বিষয়ে উল্লেখ কৰে।

০০০০০০

তিনিচুকীয়া, শোণিতপুৰ আৰু বিশ্বনাথ জিলাত আজি ফাইলেৰীয়া অৰ্থাৎ গোধা ৰোগ নিৰ্মূল অভিযানৰ অধীনত সমূহীয়া ঔষধ সেৱা কাৰ্যসূচী আৰম্ভ হ'ব। ১৯ ফেব্ৰুৱাৰীলৈ চলিবলগীয়া এই অভিযানে তিনিচুকীয়াৰ হাপজান খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, শোণিতপুৰৰ ৰঙাপাৰা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু বিশ্বনাথ জিলাৰ বিশ্বনাথ চাৰিআলি তথা বিহালী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলসমূহ সামৰি ল'ব। এই অঞ্চলকেইটাত কিছু লোকৰ শৰীৰত ফাইলেৰিয়া ৰোগৰ উপস্থিতি ধৰা পৰাৰ পৰিপ্ৰেক্ষিতত এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত আশা, অংগনবাড়ী আৰু স্বাস্থ্য কৰ্মীসকলে ঘৰে ঘৰে গৈ বিনামূলীয়াকৈ ডাই-ইথাইল-কাৰ্বামেজাইন চমুকৈ ডি ই চি আৰু এলবেণ্ডাজল টেবলেট বিতৰণ কৰিব। বিশেষ এই অভিযানত সকলোকে সহযোগ কৰিবলৈ ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগে আহ্বান জনাইছে।

০০০০০০

আকাশবাণী গুৱাহাটী যোগে কালি প্ৰচাৰিত সাপ্তাহিক সংবাদ চলন্তিকা অনুষ্ঠানত গুৱাহাটী মহানগৰীৰ জীৱনযাত্ৰা সম্পৰ্কীয় অনুষ্ঠানৰ প্ৰথম অংশ প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত মহানগৰীখনত জীৱন সংগ্ৰাম কৰি থকা একাংশ লোকৰ জীৱনশৈলী তুলি ধৰাৰ প্ৰয়াস কৰা হয়। জীৱিকাৰ বাবে তথাকথিত সৰু সৰু সমলেৰে উপাৰ্জনৰ প্ৰয়াস কৰা এই লোকসকলে মহানগৰীখনক অন্য মাত্ৰা প্ৰদান কৰাই নহয় মহানগৰবাসীৰ দৈনন্দিন জীৱনকো সমৃদ্ধ কৰি আহিছে। এই অনুষ্ঠানত দৈনিক বাতৰিকাকত বিলোৱা ব্যক্তিগৰাকীৰ পৰা আৰম্ভ কৰি কেইবাগৰাকীও ব্যক্তিক সামৰি লোৱা হৈছিল। অনুষ্ঠানটিত আকাশবাণী গুৱাহাটী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ আগত দুগৰাকী ব্যক্তিয়ে এনেদৰে মনৰ ভাব প্ৰকাশ কৰে—

*(বাইট)*

০০০০০০

ধেমাজি জিলাৰ জিয়াঢলত অনুষ্ঠিত সোণোৱাল-কছাৰী সাহিত্য সভাৰ দ্বিবাৰ্ষিক ধেমাজি অধিবেশনৰ কালি সামৰণি পৰে। কালি অন্তিম দিনা আয়োজিত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত জনগোষ্ঠীটোৰ তিনি শহস্ৰাধিক লোকে নিজৰ কৃষ্টি প্ৰদৰ্শন কৰে। এই শোভাযাত্ৰাত মিচিং, দেউৰী, গাৰোকে ধৰি কেইবাটাও জনগোষ্ঠীৰ লোকে অংশ লয়। সাংস্কৃতিক শোভাযাত্ৰাৰ পাছত আয়োজিত জনগোষ্ঠীয় সমাৰোহ আৰু মুকলি সভাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশগ্ৰহণ কৰে। অধিৱেশন উপলক্ষে প্ৰকাশ কৰি উলিওৱা **স্বৰ্ণৰেঘা** নামৰ স্মৃতিগ্ৰন্থখন নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড০ অৰবিন্দ ৰাজখোৱাই উন্মোচন কৰে। একেদৰে সোণোৱাল কছাৰী সাহিত্য সভাৰ **হালালী** শীৰ্ষক মুখপত্ৰখন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱালে উন্মোচন কৰে। সভাখনত সোণোৱাল-কছাৰী সাহিত্য সভাই প্ৰকাশ কৰা কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। উল্লেখযোগ্য যে ২০১৫ চনৰ ১৩ মে'ত ডিব্ৰুগড়ত প্ৰতিষ্ঠা লাভ কৰা সোণোৱাল কছাৰী সাহিত্যসভাই জনগোষ্ঠীটোৰ ভাষা-সাহিত্য উত্তৰণৰ বাবে কাম কৰি আহিছে।

০০০০০০

শিৱসাগৰৰ দিখৌমুখৰ আজানপীৰ দৰগাহত অনুষ্ঠিত বাৰ্ষিক সমুহীয়া দোৱা আৰু জিয়াৰৎ অনুষ্ঠানৰ কালি সামৰণি পৰে। এই উপলক্ষে দৰগাহলৈ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ লগতে অন্য ধৰ্মাৱলম্বী অগণন লোকৰ সমাগম হয়। স্থানীয় হিন্দু ধৰ্মাৱলম্বী লোকসকলে দৰগাহলৈ প্ৰায় দুই কিলোমিটাৰ দৈৰ্ঘ্যৰ পথৰ দুয়োকাষে বন্তি প্ৰজ্বলন কৰি আজানপীৰৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। আজানপীৰ দৰগাহ পৰিচালনা সমিতিৰ উদ্যোগত আয়োজিত এই জিয়াৰৎ উপলক্ষে অনুষ্ঠিত জিকিৰ প্ৰতিযোগিতাত কেইবাটাও দলে জিকিৰ পৰিৱেশন কৰে। কালি অনুষ্ঠিত মুকলি সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° কৰবী ডেকা হাজৰিকাই মুখ্য বক্তা হিচাপে অংশ লৈ দিয়া ভাষণত আজানপীৰক সাম্প্ৰদায়িক সম্প্ৰীতিৰ উজ্বল নিদৰ্শন বুলি উল্লেখ কৰাৰ লগতে আজানপীৰৰ জিকিৰৰ বিশেষত্ব সন্দৰ্ভত ব্যাখ্যা কৰে। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচি মহন্তই উদ্বোধন কৰা মুকলি সভাত মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল শইকীয়াই স'ৰাগুৰিৰ আজান শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানত মেঘালয়ৰ প্ৰাক্তন মন্ত্ৰী ছৈয়দুল্লা ননগ্ৰোম সন্মানীয় অতিথি হিচাপে অংশ লৈ দিয়া ভাষণত আজানপীৰে ধৰ্মতকৈ মানৱ প্ৰেমত অধিক গুৰুত্ব আৰোপ কৰিছিল বুলি মন্তব্য কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আয়োজিত সমূহীয়া প্ৰাৰ্থনাত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকে অংশ লয়।

০০০০০০

মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেণ সিঙৰ পদত্যাগ আৰু চত্তিশগড়ত নিৰাপত্তাৰক্ষী বাহিনীৰে হোৱা সংঘৰ্ষত ৩১ গৰাকী মাওবাদী নিহত হোৱাৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**হিতাধিকাৰীলৈ ১২ হাজাৰ কোটি টকা** শিৰোনামেৰে দৈনিক অসম কাকতে বিত্তমন্ত্ৰী অজন্তা নেওগে নিৰ্বাচনৰ পূৰ্বৰ অন্তিমখন বাজেটক লৈ এটা বাতৰি প্ৰকাশ কৰিছে।

গায়ক ৰাজীৱ শদিয়াৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে **বিপুল জনসমাগমৰ মাজত ৰাজীৱ শদিয়াৰ আদ্যশ্ৰাদ্ধ** শিৰোনামেৰে প্ৰকাশ কৰিছে। এই বাতৰিটো দৈনিক অগ্ৰদূত, আমাৰ অসম, দৈনিক জনমভূমি আদি কাকতেও প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে **হাছিনা উৎখাতৰ আঁৰত আমেৰিকা, সত্য প্ৰকাশ কৰিলে ৰাষ্ট্ৰপতি ট্ৰাম্পে** শিৰোনামেৰে চুবুৰীয়া বাংলাদেশৰ এটা বাতৰি প্ৰকাশ কৰিছে।

গুৱাহাটীত মাটিৰ পট্টা প্ৰদান সন্দৰ্ভত দৈনিক অগ্ৰদূত কাকতে **জৰীপ নহ'ল, ভূমি পট্টা নাপায় গুৱাহাটীৰ ৮৫ হাজাৰ পৰিয়ালে** শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

**এডভাণ্টেজ আছামৰ প্ৰচাৰৰ বাবে আজি ছিংগাপুৰলৈ মুখ্যমন্ত্ৰী** শিৰোনামেৰে দৈনিক জনমভূমি কাকতে বাতৰি প্ৰকাশ কৰিছে।

**লক্ষ্য স্থিৰ কৰি শৰীৰ মনৰ একাত্ম সংযোগেৰে সুখী হৈ থকাটোৱে** জীৱন শিৰোনামেৰে নিয়মীয়া বাৰ্তা কাকতে **সৎসংগ উইথ্ সদ্‌গুৰুৰ** অনুষ্ঠানৰ এটা বাতৰি প্ৰকাশ কৰিছে।

যোৰহাটত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশন সামৰণিৰ বাতৰি এটা **অশ্ৰুসিক্ত নয়নেৰে বিদায় ল'লে ভকত-বৈষ্ণৱে, নিজম পৰিল এৰালতলি পথাৰ** শিৰোনামেৰে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে **Bangladesh Unrest Fuels Security Threat for India** শিৰোনামেৰে বাংলাদেশৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত এটা বাতৰি প্ৰকাশ কৰিছে।

**SVAMITVA Scheme : 765 Village maps handed over to state government** শিৰোনামেৰে দা ছেণ্টিনেল কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

কৰ্কট ৰোগৰ প্ৰতিষেধক উদ্ভাৱনৰ গৱেষণাৰে যুৱ বিজ্ঞানী ড০ দেবীভাষা বৰদলৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উজলি উঠিছে। কৰ্কট আৰু আন সংক্ৰমণক প্ৰাথমিক পৰ্যায়তে প্ৰতিৰোধ কৰিব পৰাকৈ প্ৰতিষেধক উদ্ভাৱন কৰাৰ ক্ষেত্ৰত ড০ বৰদলৈৰ গৱেষণাই আশাৰ বতৰা কঢ়িয়াই আনিছে। এই সন্দৰ্ভত তেওঁৰ কেইবাখনো গৱেষণা পত্ৰ আগশাৰীৰ আন্তঃৰাষ্ট্ৰীয় গৱেষণা পত্ৰিকাত প্ৰকাশ হৈছে। বৰ্তমান তেওঁ ভূপালৰ ভাৰতীয় বিজ্ঞান শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানত জীৱ বিজ্ঞান বিভাগৰ সহকাৰী প্ৰবক্তা হিচাপে কাম কৰি আছে।

০০০০০০

ইংলেণ্ডৰ বিৰুদ্ধে অব্যাহত থকা এদিনীয়া ক্ৰিকেট শৃংখলাৰ কালি কটকত অনুষ্ঠিত দ্বিতীয়খন খেলত ভাৰত ৪ উইকেটত জয়ী হয়। এই জয়ৰ জৰিয়তে ভাৰতে শৃংখলাত ২-০ৰ অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে।

ভাৰতে অধিনায়ক ৰোহিত শৰ্মাৰ শতক তথা শুভমন গিল, শ্ৰেয়ছ্ আয়াৰ আৰু অক্ষৰ পেটেলৰ দৰ্শনীয় বেটিঙৰ সহায়ত ৪৪ অভাৰ আৰু তিনিটা বলত আলহী দলটোৱে বান্ধি দিয়া ৩০৫ ৰানৰ বিজয় লক্ষ্য অতিক্ৰম কৰে। ৰোহিত শৰ্মাই ৯০টা বলত ১১৯, শুভমন গিলে ৬০, শ্ৰেয়ছ্ আয়াৰে ৪৪ আৰু অক্ষৰ পেটেলে অপৰাজিত ৪১ ৰানৰ বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ গাছ্ এটকিনছনে সৰ্বাধিক দুটা উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে টছত জিকি প্ৰথমে বেট ধৰা ইংলেণ্ড দলটোৱে জ' ৰুটৰ ৬৯, বেন ডাকেটৰ ৬৫ আৰু লিয়াম লিভিংষ্টনৰ ৪১ ৰাণৰ বৰঙণিৰে ৪৯ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱা ৩০৪ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ ৰবীন্দ্ৰ জাদেজাই সৰ্বাধিক তিনিটা উইকেট দখল কৰে। ৰোহিক শৰ্মাক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অৰুণাচলত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ লগতে ঠাই বিশেষে কম-বেছি পৰিমাণে কুঁৱলী পৰিব বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত